# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-07-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ জিলাত ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ পৰ্যালোচনা কৰে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বি টি আৰত বিগত পাঁচ বছৰত চৰকাৰে শান্তি স্থাপন কৰিলে আৰু অনাগত পাঁচ বছৰত তেওঁলোকে এইখণ্ডত সমতা, বিকাশ আৰু প্ৰগতিৰ হকে কাম কৰি যাব। ড০ শৰ্মাই আজি চৰাইখোলা অতিথিগৃহত বিভিন্ন দল-সংগঠনৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ শীঘ্ৰেই সমাধান কৰাৰ আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত বিজেপিৰ এখন কৰ্মী সন্মিলনত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ কৰ্মকৰ্তাসকলক তৃণমূল পৰ্যায়ৰ পৰা দলটোৰ সাংগাঠনিক ভেটি শক্তিশালী কৰিবলৈ আহ্বান জনায়।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত আজি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ ফলত কেইবাখনো ৰে'ল বাতিল কৰা হৈছে। ভূমিস্খলনৰ বাবে আজি পুৱা গুৱাহাটীৰ পৰা শিলচৰ অভিমুখী ৰে'লখন পুনৰ গুৱাহাটীলৈ ঘূৰাই অনাৰ লগতে শিলচৰৰ পৰা গুৱাহাটী অভিমুখী যাত্ৰীবাহী ৰে'লখনো বদৰপুৰৰ পৰাই ঘূৰাই নিয়া হয়। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে পাহাৰৰ পৰা শিল আৰু মাটি খহি আহি ৰে'ল পথছোৱা বন্ধ হৈ পৰাত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ছখন ৰে'ল আংশিকভাৱে বাতিল, আঠখন ৰে'ল সম্পূৰ্ণৰূপে বাতিল, তিনিখন ৰে'লৰ সময় পুনৰ নিৰ্ধাৰণ কৰাৰ লগতে চাৰিখন ৰে'ল নিয়ন্ত্ৰিত কৰা হৈছে। বাতিল কৰা ৰে'লসমূহৰ ভিতৰত গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ, ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, গুৱাহাটী-দুৰ্লভচৰা এক্সপ্ৰেছ, শিলচৰ-নাহৰলগুন এক্সপ্ৰেছ, দুৰ্লভচৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু নাহৰলগুন-শিলচৰ এক্সপ্ৰেছ আছে। লামডিং-বদৰপুৰ ৰে'লপথত তৃতীয়বাৰৰ বাবে হোৱা ভূমিস্খলনত এই ৰে'লপথ বন্ধ হোৱাত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। যাত্ৰীসকলৰ সুবিধাৰ্থে গুৱাহাটী, লামডিং, শিলচৰ, বদৰপুৰ আৰু আগৰতলা ষ্টেচনত হেল্প ডেস্ক মুকলি কৰাৰ লগতে আবদ্ধ যাত্ৰীসকলৰ বাবে খাদ্যৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ২৩ জুনত জাতিংগা-লামপুৰ আৰু নিউ হাফলঙৰ মাজত হোৱা ভূমিস্খলনৰ বাবে এই অংশত ছদিনৰ বাবে ৰে'লসেৱা বন্ধ হৈ আছিল। ৩০ জুনত পুনৰ ৰে'লসেৱা আৰম্ভ হয় যদিও যোৱা ৩ জুলাইত পুনৰ মুপাৰ সমীপত ভূমিস্খলন হোৱাত ৰে'লসেৱা ব্যাহত হৈ পৰে। পৰহি মাইবং-দাওতুহাজা আৰু মুপা-দিহাখোৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ পাছত কালি পুনৰ ৰে'লসেৱা আৰম্ভ কৰা হৈছিল।

ooooo

ধুবুৰী আৰু গোৱালপাৰা জিলাৰ দখলীকৃত ভূমিত কাইলৈৰ পৰা উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। সেই অনুসৰি ধুবুৰী জিলাৰ চাপৰত কাইলৈ উচ্ছেদ চলোৱা হ'ব। একেদৰে ১০ জুলাইত গোৱালপাৰাৰ পাইকান বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা হ'ব। গোৱালপাৰা জিলা বন সংমণ্ডল বিষয়া তেজছ মৰিস্বামীয়ে প্ৰকাশ কৰা মতে ২০২৩ বৰ্ষৰ পৰা এতিয়ালৈ জিলাখনৰ চাৰিটা বনাঞ্চলিক এলেকাৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলৰ ৬৫০ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে। ইয়াৰে ২০০ হেক্টৰ ভূমিত জনবসতি থকাৰ লগতে বাকী ভূমিত বিভিন্ন শস্যৰ খেতি কৰা হৈছিল। শেহতীয়াকৈ কৃষ্ণাই বনাঞ্চলিক এলেকাৰ অন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলৰ ১৪০ হেক্টৰ ভূমি দখলমুক্ত কৰাৰ বাবে বন বিভাগে ব্যৱস্থা লৈছে। অঞ্চলটোত থকা এহেজাৰ ৮০টা পৰিয়ালক যোৱা বছৰৰ ডিচেম্বৰত অঞ্চলটো খালী কৰাৰ বাবে জাননী দিয়া হৈছিল। শেহতীয়াকৈ অহা ১০ জুলাইৰ পূৰ্বে এই লোকসকলক অঞ্চলটো খালী কৰিবলৈ জাননী দিয়া হৈছিল যদিও খালী নকৰিলে শীঘ্ৰেই উচ্ছেদ অভিযান চলোৱা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত দক্ষিণ কামৰূপৰ কুলশীত আজি ৭৬ সংখ্যক বন মহোৎসৱৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। যোৱা ১ জুলাইৰ পৰা অনুষ্ঠিত এই কাৰ্যসূচীত আজি বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। পশ্চিম কামৰূপ বন সংমণ্ডলৰ কুলশী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে গছপুলি ৰোপন আৰু শিক্ষাৰ্থীসকলৰ মাজত গছপুলি বিতৰণ কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বন মন্ত্ৰীগৰাকীৰ উপস্থিতিত তিয়ামাৰী থানত এখন মুকলি সভা অনুষ্ঠিত হয়। এই সভাত পৰিবেশ সম্পৰ্কীয় চাৰিখন গ্ৰন্থ উন্মোচন আৰু এটা পোৰ্টেল মুকলি কৰা হয়।

০০০০০

প্ৰসিদ্ধ বুৰঞ্জীবিদ, পূৰ্বৰ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা স্তম্ভ লেখক উদয়াদিত্য ভৰালীৰ শেষকৃত্য আজি ভূতনাথ শ্মশানত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। ইয়াৰ আগেয়ে আজি পুৱা দক্ষিণ শৰণীয়াৰ বাসগৃহৰ পৰা শিক্ষাবিদগৰাকীৰ নশ্বৰ দেহ কটন বিশ্ববিদ্যালয়ৰ চৌহদলৈ নিয়া হয়। বিশ্ববিদ্যালয় চৌহদত কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে ভূতনাথ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

০০০০০

সমাপ্ত